হৃদয় এটা নিৰ্জন দ্বীপ, অন্তৰ্যামিনী'; লম্বোদৰ দাসৰ পাহাৰৰ শিলে শিলে, ছবিখনৰ বাহিৰে মন আৰু মন, কল্পনাকুসুম; বৰবং হুতাশৰ 'ৰং মিলিত ইহাদি', 'মিঠাবিন ক্ৰান্তিকালত অগ্নি-, আক ৰেখা কাৰী, নীলা অৰ্কিড'; দেৱেন্দ্ৰনাথ আচাৰ্যৰ 'অনন্যযাত্ৰা' আৰু জংগম কুসুম, কালপুৰুষ; ত্ৰৈলোক্য গোস্বামীৰ 'সংক্ৰান্তিৰ পুখি' চোৰাইদেও, উত্তৰকাণ্ড, 'নীলা সৰ্পসৰ' 'ইন কৈ যায়'; কুলচন্দ্ৰ আংগাৰ? 'মইমুৰ আৰু তংসিনা', আসমলিত বাট, সদৌলি অনুসন্ধান; মামনি ৰয়ছম গোস্বামীৰ চেনাবৰ সোঁত, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, 'নীলকণ্ঠী ব্ৰজ, মামৰে ধৰা তৰোৱাল, সংস্কাৰ, 'উদয়ভানুৰ চৰিত্ৰ'; নীলিমা দত্তৰ আকাশ বতি, শৈলশিখৰত, অগ্নি-শিখা; ধৰ্ম বৰাৰ নদী নিৰ্বাণ 'উপন্যাস সিন্ধু; নদীৰ তীৰত, চিৰদিন নদীৰ ইপাৰ, পাগল দিয়াত সোণালী ৰং, সুইডপাৰত কাঠ, মেঘনা-যমুনা-ৰেখাত, ছবিলৈ বেদনা আদি উল্লেখযোগ্য উপন্যাস।

বুৰঞ্জি ভিত্তিক আৰু নতুন দশকৰ অসমীয়া উপন্যাসৰ ক্ষেত্ৰত প্ৰতিনিধিত্বমূলক দশক। এই সময়ছোৱাতে অৰুণ শৰ্মাৰ 'আশীৰ্বাদৰ ৰং', পৰস্তাৱ, উদোকশিলা; ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ 'অনুৰণিত দেশ', সত্যানুসন্ধান, ইদিপাচ ইদিপাচ, প্ৰেমৰ ঘৰ, মৃত্যুৰ লেখা; জ্যোতি বৰবৰাৰ কথা ৰত্নাকৰ, লোহা, ধোঁৱা, কালান্তৰ সদ্য; অতুলানন্দ গোস্বামীৰ 'নামঘৰীয়া', কুকাইদেউ; দেবব্ৰত দাসৰ সম্পৰ্কিত পাত সঁহুলি, পুতলা নাচৰ সাজ, বুদ্ধসাগৰৰ কথা; স্নেহ দেৱৰ ঠেংফাৰ 'চনম',

লিহচিত, 'আৰু এটা মানুহ', 'মোৰ উঠা মানুহ'; পূৰবী বৰমুদৈৰ 'সংক্ৰান্ত প্ৰেম আৰু ৰঙীন', 'বাঘমাৰা বাঘজাল আৰু মানুহ', 'কলংপৰীয়া নিজৰ আদোবৰলী ঘাট' আৰু 'শান্তনুকুলনন্দন'; অনুপ গেৰ্নৱা, অৰ্চনা কলিতাৰ 'সুৰনোদি', 'আয়নাত', 'কোকালি' আদি উল্লেখযোগ্য উপন্যাস।

আধুনিক কালত বহুকেইগৰাকী উপন্যাসিকাই ঔপন্যাসিক হিচাপে লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত নীলা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী, মনিকুন্তলা ভট্টাচাৰ্য, আৰু ড° মালিনী উল্লেখযোগ্য। নীলা চৌধুৰীৰ 'অবিৰত যাত্ৰা' (প্ৰথম উপন্যাস) দেউতাৰ লাইব্ৰেৰী, শব্দীয়া তকত শব্দ, ~~সেই সময়~~ এই সময় সেই সময়, আৰাম; অনুৰাধা শৰ্মা পূজাৰীৰ হৃদয় এক বিজ্ঞাপন, ৰাক্তিম নাহৰত নিজিৰিলি তুমি, চাহৰ পুথাৰ ৰঙমন মেঘে; মনিকুন্তলা ভট্টাচাৰ্যৰ অসমীয়া অৰুন্ধতী মুক্তি, দধিমথ, চামিয়ানা, দেৱবালা, যমুনা বাই, মই দেওডিমলা হৈব যমাতো, ড° মালিনীৰ যাজ্ঞসেনী, বিদেহ নন্দিনী, কাশী কন্যা অম্বা আদি উল্লেখযোগ্য উপন্যাস। পটভূমি, কাহিনী, চৰিত্ৰ, লেখনশৈলীত উপন্যাস সমূহে নতুনত্ব দাবী কৰে। ইয়াৰ উপৰিও বহু প্ৰতিশ্ৰুতি সম্পন্ন লেখক লেখিকাই উপন্যাস ~~ৰচনাত~~ ৰচনাত মনোনিৱেশ কৰিছে। এই সকলৰ ভিতৰত দিলীপ বৰা, বন্দিতা ফুকন, গোবিন্দ মেধি, অভিজিত শৰ্মা বৰুৱা,

চন্দনা গোস্বামী, আদি কবি ভালেমানে অসমীয়া উপন্যাসক বৰ্ণাঢ্য কৰাৰে সজাই তুলিছে।

সামৰণিত দেখা যায় যে 'অৰুণোদই' যুগত জন্ম লাভ কৰা অসমীয়া উপন্যাস সাহিত্যই 'জোনাকী' যুগত শৈশৱ পাৰ কৰি, 'আৱাহন' যুগত কিশোৰত্ব লাভ কৰি যুদ্ধোত্তৰ যুগত যৌৱনত ভৰি দি আধুনিক অসমত প্ৰগতিশীল হৈ বৈ আছে। ইতিহাসমূলক, সমাজসংস্কাৰমূলক, বাস্তৱতামূলক, প্ৰেমমূলক, জনজাতি সমাজমূলক, মনস্তত্ত্বমূলক নাৰীবাদমূলক আদি বিচিত্ৰ ভাৱধাৰাই অসমীয়া উপন্যাসক উনবিংশ শতিকাৰ পৰা বৰ্তমানলৈ সমৃদ্ধিশালী কৰি তুলিছে।।

* * *